# গদ্য শিল্প

সম্পাদক ঃ

**দীপক কুমাৰ বৰা**

মহাৰজত জয়ন্তী বৰ্ষত
অসমীয়া বিভাগৰ নিবেদন

**GADYASHILPA** : A Collection of articles on various aspects of Language, Literature and Culture, History of Vaisnavite Movement and Saivism in Assam, Textual criticism, Translation : Theory and practice, Compiled, Published and Edited by Prof. Dipak Kumar Bora on behalf of Assamese Department, Nowgong College, Nagaon - 782001 : Assam

# গদ্য শিল্প

।। অসমীয়া বিভাগ।।
নগাঁও মহাবিদ্যালয়,
নগাঁও— ৭৮২০০১, অসম

প্ৰথম সংস্কৰণ ঃ আগষ্ট, ২০১৯

প্ৰচ্ছদ-সজ্জা আৰু ডি.টি.পি. ঃ
**অচ্যুত প্ৰৱৰ শৰ্মা**

আৰ্হি কাকত চাওঁতা ঃ
**দীপক কুমাৰ বৰা**

© অসমীয়া বিভাগ, নগাঁও মহাবিদ্যালয়

ISBN 978-93-85310-57-7

মূল্য ঃ ৩০০.০০ টকা

মুদ্ৰণ ঃ
**গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যনছ**
মিলনপুৰ, নগাঁও (অসম)

All rights reserved. No part of this book may be reproduced in any form or by any means, electronic or mechanical, including photocopying, recording or by any information storage, without permission in writing from the editor/publisher.

শ্ৰীনিবাৰণ ভট্টাচাৰ্য ঃ প্ৰশ্নৰ উৰ্দ্ধৰ প্ৰশ্ন
▶ ৰূপাঞ্জলি দেৱী ।। ২২৩
দেবেন্দ্ৰ নাথ আচাৰ্য্যৰ 'জঙ্গম' ঃ এটি আলোচনা
▶ ড° সোমনাথ বৰা ।। ২২৯
আধুনিক উপন্যাস 'মৰুদ্যান'— এটি বিশ্লেষণ
▶ কল্পনা হাজৰিকা গায়ন ।। ২৪১
উত্তৰ আধুনিকতাবাদ আৰু 'ধূসৰতাৰ কাব্য' ঃ এটি অবলোকন
▶ বৰ্ণালী ডেকা ।। ২৪৮
মহিম বৰাৰ গল্পৰ পটভূমি আৰু নিৰ্বাচিত কেইটামান গল্পৰ বিষয়বস্তু
▶ ড° দীপক বৰা ।। ২৫৬
নগেন শইকীয়াৰ 'বন্ধ কোঠাত ধুমুহা' আৰু মনোজ কুমাৰ গোস্বামীৰ 'নিৰ্বান্ধৱ' গল্পৰ এটি পৰ্যালোচনা
▶ কল্পনা হাজৰিকা গায়ন ।। ২৬৫
অসমীয়া চুটিগল্পত বাৰ্ধক্য
▶ অনুভূতি গায়ন ।। ২৭৪
কালিৰাম মেধিৰ ৰচনাত শঙ্কৰদেৱ প্ৰসঙ্গ আৰু 'শঙ্কৰদেৱ আৰু চৈতন্যদেৱ'
▶ দীপক কুমাৰ বৰা ।। ২৮৮
কীৰ্ত্তনঘোষাৰ হৰমোহন খণ্ডত প্ৰকাশিত অসমীয়া জনজীৱনৰ চিত্ৰ
▶ বিশ্বদীপা দাস ।। ২৯৮
'মনোবৃত্তি' প্ৰবন্ধৰ আলোকত ৰত্নেশ্বৰ মহন্তৰ গদ্যশৈলী
▶ ৰিম্পি ডেকা ।। ৩০২
ত্ৰৈলোক্যনাথ গোস্বামীৰ গদ্য
▶ অচ্যুত কুমাৰ শইকীয়া ।। ৩০৬
অসমীয়া বেকন সত্যনাথ বৰাৰ গদ্য
▶ জগদীশ দাস ।। ৩১২
ড° হীৰেন গোহাঁইৰ 'ঐতিহ্য আৰু জীৱনৰ বাটত'
▶ নৱজিত বৰুৱা ।। ৩১৫
অনুবাদ প্ৰসঙ্গত ৰোমান জেকবচন আৰু হৰীশ ত্ৰিবেদী
▶ ড° জ্যোতিৰ্ময় জানা ।। ৩২৪
অনুবাদকলা আৰু ইয়াৰ ব্যৱহাৰিক দিশ
▶ অচ্যুত প্ৰবৰ শৰ্মা ।। ৩৪০
পাঠসমীক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা
▶ দীপক কুমাৰ বৰা ।। ৩৫১

# কীৰ্ত্তনঘোষাৰ হৰমোহন খণ্ডত প্ৰকাশিত অসমীয়া জনজীৱনৰ চিত্ৰ

বিশ্বদীপা দাস

উদাত্ত কণ্ঠ আৰু পৰিমাৰ্জিত সুৰৰ সংমিশ্ৰণেৰে অসমীয়া ধৰ্মীয় লোক জীৱনক শৃংখলিত ৰূপ প্ৰদান কৰিবলৈ মধ্যযুগীয় পটভূমিতেই শ্ৰীমন্ত শঙ্কৰদেৱে নব-বৈষ্ণৱ ধৰ্মৰ আধাৰত **কীৰ্ত্তন**-ঘোষা পুথি ৰচনা কৰি বিশিষ্ট ধৰ্মীয়-সাংস্কৃতিক আন্দোলনৰ আঁত ধৰিছিল। নব-বৈষ্ণৱ ধৰ্মত নৱধাভক্তিৰ অন্যতম শ্ৰৱণ-কীৰ্ত্তনক শঙ্কৰদেৱে শ্ৰেষ্ঠতম আখ্যা দিছে। প্ৰকৃত ধৰ্মসাধনাৰ বাবে এই পন্থা অতিকৈ উপযোগী। হৰিগুণ বৰ্ণিত **কীৰ্ত্তন**-ঘোষাৰ সুৰীয়া পাঠৰ শ্ৰৱণ কীৰ্ত্তনে ভক্তিৰ পৰিৱেশ গঢ়ি তোলে। কীৰ্ত্তন সমূহীয়াভাৱে কৰা হয়। লোকজীৱনৰ উপযোগীকৈ শঙ্কৰদেৱে নাম-প্ৰসঙ্গমূলক **কীৰ্ত্তন**-ঘোষা পুথি ৰচনা কৰিছিল। ভক্তি সাধনাৰ বাবে শ্ৰৱণ কীৰ্ত্তনৰ প্ৰয়োজনত **কীৰ্ত্তন**-ঘোষাৰ বিভিন্ন খণ্ডসমূহ ৰচিত। পৰৱৰ্তী সময়ত মাধৱদেৱৰ নিৰ্দেশমতে ৰামচৰণ ঠাকুৰে কীৰ্ত্তনৰ খণ্ডসমূহ বিভিন্ন স্থলৰ পৰা সংগ্ৰহ কৰিছিল আৰু মাধৱদেৱৰ অনুমোদন ক্ৰমে সম্পাদনা কৰি একত্ৰিত ৰূপত এখন পুথিৰ আকাৰত থুপাই পেলাইছিল।

*চৰিত পুথিমতে জগদীশ মিশ্ৰৰ পৰা শ্ৰীধৰী টীকা সম্বলিত 'ভাগৱত' গ্ৰন্থ পোৱাৰ আগতে 'কীৰ্তন' ৰচনা কৰে। অৱশ্যে 'কীৰ্তন'ত থকা শঙ্কৰদেৱৰ সকলো খণ্ডই বৰদোৱাত ৰচনা কৰা নহয়। শঙ্কৰদেৱৰ দিনত 'কীৰ্তন'ত সন্নিবিষ্ট হোৱা সকলো খণ্ড একেলগ কৰি এখন গ্ৰন্থৰূপে প্ৰচাৰ হোৱা নাছিল, ইয়াৰ বিভিন্ন অংশ স্বতন্ত্ৰ পুথিৰূপে বেলেগ বেলেগ ঠাইত প্ৰচলিত আছিল। মহাপুৰুষৰ তিৰোধানৰ পিছত মাধৱদেৱৰ আজ্ঞামতে ৰামচৰণ ঠাকুৰে উজনি আৰু নামনিৰ নানা ঠাই ভ্ৰমণ কৰি 'কীৰ্ত্তন'ৰ বিভিন্ন খণ্ড সংগ্ৰহ কৰি এখন গ্ৰন্থৰূপে পৰিণত কৰে।*[১]

১। সত্যেন্দ্ৰনাথ শৰ্মা ঃ **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত**, পৃ. ১২৫